১৯. ৰূপ তত্ত্বৰ ফালৰ পৰা চালেও উত্তৰ বংগৰ উপভাষা আৰু কামৰূপী উপভাষাৰ মাজত যথেষ্ট মিল দেখা যায়। উদাহৰণস্বৰূপে স্ত্ৰীবাচক 'ই, নি' প্ৰত্যয়; বহু বচনাত্মক গিলা-প্ৰত্যয়; সৰ্বনামৰ ৰূপ কিছুমান; নিৰ্দিষ্টতাবাচক খান-প্ৰত্যয়; নাস্ত্যৰ্থক ৰূপাংশৰ ক্ৰিয়াৰ আগত ব্যৱহাৰ; তুমুনন্ত ইবাৰ-প্ৰত্যয়; শব্দ-বিভক্তিৰ

সংযোগত ব্যঞ্জনান্ত প্ৰকৃতিৰ তিৰ্যক ও-কাৰান্ত ৰূপ; শব্দ-বিভক্তি; পৰ-সৰ্গৰ ব্যৱহাৰ, বাক্যবিন্যাস; ক্ৰিয়া-বিভক্তি; প্ৰবাদ-বচন আদিৰ সাদৃশ্যলৈ আঙুলিয়াব পাৰি। তলত আটাইবোৰৰ চানেকি দাঙি ধৰা হ'ল ঃ

| | উত্তৰ বংগৰ উপভাষা | কামৰূপী উপভাষা |
|---|---|---|
| (ক) | বুৰা, বুৰি; চোৰ, চুৰণি | বুৰা, বুৰি; চুৰ, চুৰ-নি > চুন্নি |
| (খ) | মান্সি, মান্সি-গিলা | মাহ্নু, মানুহ-গিলা তু. গোৱা, মান্শি-গুলা |
| (গ) | মুই, তুই, মোক, তোক, মোৰ, তোৰ, কাঁয়, হাম্ৰা | মঁই, মুই (ৰামদিয়া অঞ্চল), তঁই, তুই (ৰামদিয়া অঞ্চল), মোক, তোক, মোৰ, তোৰ, কাই (পশ্চিম কাম.), হাম্ৰা (মাই-হামৰা) তু. গোৱা. মুই, তুই। |
| (ঘ) | কুলা-খান | কুলা-খান তু. গোৱা, কাপোৰ-খান |
| (ঙ) | নাখাওঁ, নাজানে, নাবুঝে | নাখাওঁ, নাজ্নে, নুবুজে তু. গোৱা. নাখাও |
| (চ) | ফুল তুলিবাৰ গে'লো | ফুল তুইল্বা গেলু, ভাত খাবাৰ হৈচি। তু. গোৱা. খাবাৰ। |
| (ছ) | খাল, খালো-ত, চাল, চালো-ত | খালো-ত, চালো-ত। |
| (জ) | মো-ক, মো-ৰ | মো-ক, মো-ৰ। |
| (ঝ) | পুবোক নাগিআ, মোৰথাকি, ছতো। | পুবোক লেগি, পুবোক গেলি; মোৰ থাকি > মোতথাকি সৰু। |
| (ঞ) | পাক্কা না কাচ্চা, গোৰুৰ চাৰিটা ঠেঙ আছে, গোৰুৰ ভালেগিলা নাম আছে। | পকা না কাচা, গোৰুৰ চাইৰখান থেং আচে, গোৰুৰ ভালেগিলা নাউ আছে। |
| (ট) | মুই জাম, মুই গেইছু, মুই গেইছিনু, দিনু। | মঁইজাম, মঁই গেইচু, মঁই গেইচ্লু, গেল্ গেনু (ৰামদিয়া অঞ্চল) |
| (ঠ) | উতোৰে গুআ, দোখিনে ধুৰা।<br>পূবে হাস, পোচ্চিমে বাস।।<br>আছে গোৰু না বয় হাল।<br>তাৰ দুক্কো চিৰোত কাল।।<br>ঘাটাত পাইনু কামাৰ।<br>দাও গৰে দে হামাৰ।।<br>বোসিবাৰ জানিলে মাটিআ পিৰা।<br>খাইবাৰ জানিলে চাউলিআ চিৰা।। | পূবে হাঁহ, পোচ্চিমে বাঁহ।<br>উত্তৰে গুআ, দোক্খিনে ধুআ।।<br>আচে গোৰু নাবৈ হাল।<br>হত কে নহই ভাল।।<br>বাতোতো পালু কমাৰ।<br>দাউ গৰে দি আমাৰ।।<br>বোইহ্বা জাইন্লি মাতিএ পিৰা।<br>খাবা জাইন্লি চাউলে চিৰা।। |

২০. উত্তৰ-বংগৰ উপভাষাত প্ৰাচীন অসমীয়াৰ ৰূপো সংৰক্ষিত হৈছে, যেনে— -গুলা, -গটা (তিনগটা), হতে (মানসি হতে), কোৰিআ, কোৰিল, ভিজিল, দিল, তোহোৰ, গিতাল, গিদাল, কোৰিলেক ইত্যাদি। তু. কতো-গুলাক (ভট্টদেৱ), সাতগোটা কোব (ৰামসৰস্বতী), দুগুটি সন্ততি (হৰিহৰ বিপ্ৰ), তোহোৰ বোলত (মাধৱ কন্দলী), গীতাল (মনকৰ), স্বৰ্গহন্তে নামিলেক (মনকৰ), কন্যাসৰে পাৰিল (মা. কন্দলী), বিশ্বকৰ্মে জানিল (মনকৰ), জানকীক ৰক্ষা দিল (মা. কন্দলী), কাঙ্কে কৰিয়া দুৰ্গা বিৰচিলা কেশ (মনকৰ)। উত্তৰ-বংগৰ উপভাষাত মান্য অসমীয়াৰ ৰূপ কিছুমানো হুবহুৰূপে পোৱা যায়; যেনে— গোহালি, খুৰা (দেউতাকৰ ভায়েক), এক, গছ, টিকা, নাৰিকল, গুআ (গুৱা) ইত্যাদি। উত্তৰ-বংগৰ উপভাষাৰ লগত পশ্চিম-অঞ্চলৰ অসমীয়া ভাষাৰ অতি ওচৰৰ সম্পৰ্কৰ পৰিচয় দেখা গ'ল। মগধ-বিদেহ অঞ্চলৰ পৰা উত্তৰ-বংগৰ মাজেদি আৰ্য-ভাষাই প্ৰাচীন কামৰূপত প্ৰৱেশ কৰাৰ ইয়ে প্ৰমাণ। প্ৰাচীন কালৰ পৰা কোচ-ৰাজত্বৰ শেষলৈকে (সোতৰ শতিকা) অসমখন কামৰূপ নামেৰে জনাজাত আছিল। প্ৰাচীন কামৰূপে কোচ বিহাৰকে ধৰি সমগ্ৰ উত্তৰ-বংগ আৰু বংগদেশৰ ৰংপুৰ আৰু জলপাইগুৰি জিলাকো সামৰি লৈছিল।[১৮] কালিকাপুৰাণ আৰু যোগিনীতন্ত্ৰ অনুযায়ী কৰতোৱা নদী ইয়াৰ পশ্চিমৰ স্থায়ী সীমা আছিল। সুনীতিকুমাৰ চট্টোপাধ্যায়ে পূৰ্বমাগধী প্ৰাকৃতক চাৰিটা উপভাষাত ভগাই অসমীয়া ভাষা আৰু উত্তৰবংগৰ উপভাষাবোৰক সাঙুৰি 'কামৰূপ উপভাষা' নাম দিছে। বাণীকান্ত কাকতিৰ ভাষাত ক'বলৈ হ'লে 'উত্তৰ-বংগ আৰু পশ্চিম-অসমৰ কথিত ভাষাটো মূলতঃ একে আৰু ইয়াক এটা উপভাষাৰ গোট যেন লাগে।[১৯] "ৰংপুৰ, দিনাজপুৰ, কোচবিহাৰ প্ৰভৃতি ঠাঁইৰ ভাষা পৰীক্ষা কৰি চালে ফট্‌ফটীয়াকৈ দেখি যে সেই ভাষা অসমীয়া ভাষাৰহে নিজস্ব, আগৰ অসমীয়া ভাষাৰহে নিজা বস্তু, আজিকালিৰ বলী বঙলা ভাষাৰ অধিকাৰ তাত নাই।"— বেজবৰুৱা।